চতুৰ্থ অধ্যায়

## পিতৃতান্ত্ৰিক ব্যৱস্থা (Patriarchy)

আক্ষৰিক অৰ্থত পিতৃতান্ত্ৰিক ব্যৱস্থা বুলিলে পিতৃৰ নেতৃত্বত পৰিচালিত পুৰুষ প্ৰধান ব্যৱস্থাক সূচায়। ই হৈছে সামাজিক আৰু আদৰ্শগত চিন্তাধাৰাৰ ফলশ্ৰুতি য'ত পুৰুষক মহিলাতকৈ শ্ৰেষ্ঠ বুলি বিবেচনা কৰা হয়। নাৰীবাদী সকলে পিতৃতান্ত্ৰিক ব্যৱস্থাৰ উদ্ধৃতি দি মহিলা আৰু পুৰুষৰ মাজত ক্ষমতা কেন্দ্ৰিক সম্পৰ্ক তুলনা কৰিব বিচাৰে। বুৎপত্তিগত ভাৱে ইয়াৰ অৰ্থ হৈছে "পিতাৰ দ্বাৰা শাসন"। ৰাজনীতি বিজ্ঞানত পিতৃতন্ত্ৰ বুলিলে পৰিয়ালৰ এনে এটা সাংগঠনিক অৱস্থাক বুজাই য'ত এটা পৰিয়ালৰ সকলো সদস্যৰ জন্ম-মৃত্যুৰ দায়িত্ব, নিয়ন্ত্ৰণ যেন পিতৃৰ ওপৰতে থাকে।

## ভাৰতীয় পিতৃতান্ত্ৰিক ব্যৱস্থাৰ স্বৰূপ

পিতৃতান্ত্ৰিক ব্যৱস্থাক শোষণৰ এক সংক্ৰামক পদ্ধতি বুলি কোৱা হৈছে যি পদ্ধতিত অবিৰতভাৱে নাৰীক শোষণ কৰা নীতিক আকোৱালি লয়। ভাৰতবৰ্ষৰ বিষয়ে যদি আমি আলোচনা কৰো দেখিবলৈ পাম ভাৰতৰ ধৰ্ম, শাস্ত্ৰ, বিশ্বাস, পৰম্পৰা আদিয়ে এই নীতিক ভাৰতত কাৰ্যকৰি কৰাৰ ক্ষেত্ৰত যথেষ্ঠ 'সাকাৰত্মক' ভূমিকা পালন কৰি আহিছে। পুত্ৰ সন্তানৰ বাবে বিশেষকৈ হিন্দু সমাজত যি আকাংক্ষা ইয়াৰ মূলতো ধৰ্মীয় পৰম্পৰাক এক উল্লেখযোগ্য ভূমিকা আছে। কিছুমান দায়িত্ব পুত্ৰৰ দ্বাৰা কাৰ্যকৰি নহ'লে পিতৃ-মাতৃৰ মুক্তি নহয় বুলিও আমাৰ শাস্ত্ৰই কৈছে।

তাহানি কালৰ পৰা আমাৰ এটা সমাজত ধাৰণা আছে যে বৃদ্ধ বয়সত অসহায় পিতৃ-মাতৃক পুত্ৰ সন্তানে চোৱা চিতা কৰিব, দায়িত্ব ল'ব। আনহাতে কন্যা সন্তান লালন পালন কৰিলেও তেওঁলোকক গোত্ৰান্তৰ কৰিব লাগিব। (বিবাহৰ দ্বাৰা আন পৰিয়ালত যোগদান কৰা) সেয়ে কন্যা সন্তান হৈছে দায়িত্ব বা বোজা আৰু পুত্ৰ হৈছে সম্পদ। আমাৰ এনেধৰণৰ মানসিক গঠনৰ বাবে যিমান কষ্ঠ কৰো, অৰ্থ ব্যয় কৰো, কন্যাৰ ক্ষেত্ৰত গৃহকাৰ্যত তেওঁলোকক পাৰদৰ্শী কৰাৰ ওপৰতে অধিক গুৰুত্ব আৰোপ কৰি আমি আমাৰ কন্যাৰ প্ৰতি থকা দায়িত্ব সামৰিব বিচাৰো।

আমাৰ সমাজ ব্যৱস্থাত যৌতুকৰ দৰে কু-প্ৰথাক মানি লোৱাৰ বাবে কন্যাৰ বিবাহত যৌতুক প্ৰদান কৰাৰ অযুহাতত তেওঁক পিতৃ সম্পত্তিৰ পৰা বঞ্চিত কৰা হয়। কিন্তু এই মহিলা গৰাকী স্বামীৰ পৰিয়ালে বহুতো ক্ষেত্ৰত 'Outsider' বুলি গণ্য কৰে আৰু বিবাহৰ পৰৱৰ্ত্তী কালত পিতৃ পৰিয়ালৰ বাবেও তেওঁ আলহী।

আধুনিক, শিক্ষিত সমাজৰ এক ক্ষুদ্ৰ অংশৰ বাহিৰে ভাৰতবৰ্ষত কন্যা সন্তানক সঠিক ভাৱে শিক্ষা প্ৰদান নকৰাকৈ বিবাহ পাশত আবদ্ধ কৰোৱা হয়।

শিক্ষাৰ অভাৱত স্বনিৰ্ভৰশীল হ'ব নোৱাৰাৰ বাবে পিতৃতন্ত্ৰৰ প্ৰতিভূ স্বামীৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। তেওঁলোকৰ ব্যক্তিগত ইচ্ছা, অনিচ্ছা, মতামত কোনেও গ্ৰাহ্য নকৰে। শাৰীৰিক, মানসিক, আৰ্থিক সকলো দিশতে তেওঁলোক স্বামীৰ অধীন।

আমাৰ পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত বিশ্বাস বাবে যে মাতৃগৰাকীৰ দায়িত্ব হৈছে সন্তানক লালন-পালন কৰা, ডাঙৰ-দীঘল কৰা, পিতৃক এনে দায়িত্বৰ পৰা ৰেহাই দিয়া হয়। ভাৰতীয় সমাজ ব্যৱস্থাত প্ৰায় অধিকাংশ জাতি গোষ্ঠীৰে উপাধী হিচাপে অবিবাহিত অৱস্থাত পিতৃ আৰু বিবাহৰ পিছত স্বামীৰ পদবী ব্যৱহাৰ কৰে। এই পৰম্পৰাই যেন প্ৰমাণ কৰে নাৰীৰ কোনো স্বকীয় অস্তিস্ব নাই, মনুস্মৃতিত উল্লেখ কৰাৰ

দৰে, বাল্যকালত পিতৃৰ, যৌৱন কালত স্বামীৰ আৰু বৃদ্ধ অৱস্থাত পুত্ৰৰ অধীন এই নাৰী।

সেয়ে পিতৃতন্ত্ৰই ইয়াৰ সহযোগী অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহায়ত নাৰীক শোষণ, অমৰ্যদা আৰু অধিকাৰৰ পৰা বঞ্চিত কৰি আহিছে। বিভিন্ন ধৰণৰ অনুষ্ঠান, প্ৰতিষ্ঠান যেনে ধৰ্ম, পৰিয়াল, বজাৰ, সম্প্ৰদায়, ৰাষ্ট্ৰ আদিয়ে নাৰীক কেইটামান নিৰ্দিষ্ট কাৰ্যৰ মাজত আৱদ্ধ ৰখাৰ ক্ষেত্ৰত আগভাগ লৈছে। আৰু প্ৰমাণ কৰিব বিচাৰিছে যে ৰাজহুৱা কাৰ্যৰ বা সিদ্ধান্ত ল'ব পৰা কাৰ্যৰ ক্ষেত্ৰত নাৰী অযোগ্য।

ভাৰতবৰ্ষত নাৰীৰ অৱস্থান লৈ উদাৰবাদী চিন্তাবিদ, বুদ্ধিজীৱি আৰু সামাজিক গণতান্ত্ৰিক প্ৰতিষ্ঠান আৰু এনেকি আন্তৰ্জাতিক প্ৰতিষ্ঠানসমূহ ভাৰতবৰ্ষ পৰিয়ালৰ মৰ্যদা, গোষ্ঠীয় মৰ্যদা বা তথা কথিত সন্মানহানিৰ নামত মহিলা সকলৰ প্ৰতি কৰা অত্যাচাৰৰ প্ৰতিবাদ কৰা পৰিলক্ষিত হয়।

কিন্তু ওপৰত যি ছবি দাঙি ধৰা হৈছে বৰ্তমান একবিংশ শতিকাত ইয়াৰ যে সলনি হৈছে এয়া কোনেও অস্বীকাৰ কৰিব নোৱাৰে। শিক্ষা, সাকাৰাত্মক আইন প্ৰণয়ণ, ভাৰতীয় সংবিধানত নাৰী আৰু পুৰুষৰ মাজত বিভাজন নকৰাকৈ অন্তৰ্ভূক্ত বহুতো ধাৰায় (Articles) নাৰীৰ সবলীকৰণত সহায় কৰিছে। মানুহৰ মানসিক চিন্তাধাৰাৰ যথেষ্ঠ সলনি হৈছে। অধিকাংশ সম্প্ৰদায়ে কন্যা আৰু পুত্ৰৰ মাজত পাৰ্থক্য কৰাৰ প্ৰবৃত্তি যথেষ্ঠ হ্ৰাস পাইছে। পৰিয়ালত স্বামী-স্ত্ৰীৰ সমমৰ্যদা প্ৰদানত থকা বাধা সমূহ যথেষ্ঠ আতৰিছে। শিক্ষা, জ্ঞান, বুদ্ধি, মানসিক শক্তি কোনো ক্ষেত্ৰতে ভাৰতীয় নাৰী পিছপৰি থকা নাই। বোৱাৰীক সেয়ে সকলো পৰিয়ালে 'কন্যা'ৰ মৰ্যদা দিয়া পৰিলক্ষিত হয়। স্বামী-স্ত্ৰীয়ে যুগ্মভাৱে সকলো সিদ্ধান্ত লোৱা চকুত পৰে।

*****